**NSD NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 27-03-2024
**Time :** 1340 Hrs.

***Assamese Midday Bulletin***
***HEADLINES***

১। প্ৰথম পৰ্যায়ৰ লোকসভা নিৰ্বাচনৰ বাবে মনোনয়ন পত্ৰ দাখিল পৰ্বৰ আজি সামৰণি পৰিব। দ্বিতীয় পৰ্যায়ৰ নিৰ্বাচনৰ বাবে কাইলৈ অধিসূচনা জাৰি কৰা হ'ব।

২। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে আজি ৰাষ্ট্ৰপতি ভৱনত আয়োজিত এটা অনুষ্ঠানত ৫খন দেশৰ উচ্চ পৰ্যায়ৰ প্ৰতিনিধিৰ পৰা প্ৰত্যয়পত্ৰ আনুষ্ঠানিকভাৱে গ্ৰহণ কৰে।

৩। ছত্তিশগড়ৰ বাস্তাৰ মণ্ডলত আজি সংঘটিত এটা গুলীয়াগুলিৰ ঘটনাত দুগৰাকী মহিলা বিদ্ৰোহীকে ধৰি ছজন মাওবাদী নিহত হয়।

৪। ভাৰতলৈ চলিত মাৰ্চ মাহত হোৱা বৈদেশিক পুঁজিৰ আগমনে এছিয়াৰ আন সকলো দেশৰ পৰিমাণক অতিক্ৰম কৰিছে।

আৰু

৫। আই পি এল ক্ৰিকেট প্ৰতিযোগিতাৰ আজিৰ এখন খেলত হায়দৰাবাদৰ ৰাজীৱ গান্ধী আন্তঃৰাষ্ট্ৰীয় ষ্টেডিয়ামত মুম্বাই ইণ্ডিয়ানছ ছানৰাইজাৰ্ছ হায়দৰাবাদৰ সন্মুখীন হ'ব।

০০০০০০০

প্ৰথম পৰ্যায়ৰ লোকসভা নিৰ্বাচনৰ বাবে মনোনয়ন পত্ৰ দাখিল পৰ্বৰ আজি সামৰণি পৰিব। অৱশ্যে বিহাৰত কাইলৈহে মনোনয়ন পত্ৰ দাখিলৰ অন্তিম দিন। প্ৰথমটো পৰ্যায়ত দেশৰ ১৭ খন ৰাজ্য আৰু ৪ খন কেন্দ্ৰীয়শাসিত অঞ্চলৰ অন্তৰ্গত মুঠ ১০২টা লোকসভা সমষ্টিৰ বাবে ভোটগ্ৰহণ কৰা হ'ব। ইয়াৰে ৩৯ টা লোকসভা সমষ্টি তামিলনাডুৰ, ১২ টা সমষ্টি ৰাজস্থানৰ, ৮টা উত্তৰ প্ৰদেশৰ, ছটা মধ্যপ্ৰদেশৰ,

অসম, উত্তৰাখণ্ড আৰু মহাৰাষ্ট্ৰৰ পাঁচোটাকৈ, বিহাৰৰ চাৰিটা, পশ্চিমবংগৰ তিনিটা, অৰুণাচল প্ৰদেশ, মেঘালয় আৰু মণিপুৰৰ দুটাকৈ আৰু মিজোৰাম, নাগালেণ্ড, ত্ৰিপুৰা, ছিকিম, ছত্তিশগড়, আন্দামান আৰু নিকোবৰ দ্বীপপুঞ্জ, জম্মু আৰু কাশ্মীৰ, লাক্ষাদ্বীপ আৰু পুডুচেৰীৰ এটাকৈ লোকসভা সমষ্টি আছে। কাইলৈ মনোনয়ন পত্ৰসমূহ পৰীক্ষা কৰা হ'ব। আনহাতে, মনোনয়ন পত্ৰ প্ৰত্যাহাৰৰ অন্তিম দিন হ'ল অহা ৩০ মাৰ্চ। বিহাৰত ৩০ মাৰ্চত মনোনয়ন পত্ৰসমূহ পৰীক্ষা কৰাৰ বিপৰীতে মনোনয়ন পত্ৰ প্ৰত্যাহাৰৰ শেষ দিন হ'ব অহা ২ এপ্ৰিল। এইটো পৰ্যায়ৰ বাবে ১৯ এপ্ৰিল ভোটগ্ৰহণৰ দিন ধাৰ্য কৰা হৈছে।

০০০০০০০

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে আজি ৰাষ্ট্ৰপতি ভৱনত আয়োজিত এটা অনুষ্ঠানত ৫খন দেশৰ উচ্চ পৰ্যায়ৰ প্ৰতিনিধিৰ পৰা প্ৰত্যয়পত্ৰ গ্ৰহণ কৰে। এই অনুষ্ঠানত ফিলিপাইনছৰ ৰাষ্ট্ৰদূত জোজেল ফ্ৰান্সিছ্‌ক' ইগ্নাচিঅ', উজবেকিস্তানৰ ৰাষ্ট্ৰদূত ছাৰ্দৰ ৰুস্তামবিয়েভ, বেলাৰুছৰ ৰাষ্ট্ৰদূত মিখাইল কাছ্‌ক', কেনিয়াৰ উচ্চায়ুক্ত পিটাৰ মাইনা মুনয়িৰি আৰু জৰ্জিয়াৰ ৰাষ্ট্ৰদূত ভাখটাং জাওশ্বিলিয়ে আনুষ্ঠানিকভাৱে নিজ নিজ দেশৰ প্ৰত্যয়পত্ৰসমূহ ৰাষ্ট্ৰপতিগৰাকীৰ হাতত অৰ্পন কৰে।

০০০০০০০

দ্বিতীয় পৰ্যায়ৰ লোকসভা নিৰ্বাচনৰ বাবে কাইলৈ অধিসূচনা জাৰি কৰা হ'ব। এইটো পৰ্যায়ত দেশৰ ১২ খন ৰাজ্য আৰু এখন কেন্দ্ৰীয়শাসিত অঞ্চলৰ অন্তৰ্গত মুঠ ৮৯ খন আসনৰ বাবে ভোটগ্ৰহণ কৰা হ'ব। দ্বিতীয় পৰ্যায়ত কেৰালাৰ ২০ টা, কৰ্ণাটকৰ ১৪ টা, ৰাজস্থানৰ ১৩ টা, উত্তৰ প্ৰদেশ আৰু মহাৰাষ্ট্ৰৰ আঠটাকৈ, মধ্যপ্ৰদেশৰ ৭টা অসম আৰু বিহাৰৰ ৫টাকৈ, পশ্চিমবংগ আৰু ছত্তিশগড়ৰ তিনিটাকৈ আৰু মণিপুৰ, ত্ৰিপুৰা আৰু জম্মু আৰু কাশ্মীৰৰ এটাকৈ লোকসভা সমষ্টিৰ বাবে ভোটগ্ৰহণ কৰা হ'ব। অহা ২৬ এপ্ৰিলত ভোটগ্ৰহণ হ'বলগীয়া এই সমষ্টিসমূহৰ বাবে মনোনয়ন পত্ৰ দাখিলৰ শেষ দিন হ'ব ৪ এপ্ৰিল।

০০০০০০০

ওড়িশাত আসন্ন লোকসভা নিৰ্বাচনৰ সমান্তৰালভাৱে ৰাজ্য বিধানসভাৰ নিৰ্বাচনো অনুষ্ঠিত হ'ব। সমাগত সাধাৰণ নিৰ্বাচনৰ চতুৰ্থ, পঞ্চম, ষষ্ঠ আৰু সপ্তম পৰ্যায়ত ৰাজ্যখনৰ ২১ টা লোকসভা সমষ্টিৰ লগতে ১৪৭ টা বিধানসভা সমষ্টিৰ বাবেও ভোটগ্ৰহণ কৰা হ'ব। ইয়াৰে চতুৰ্থ পৰ্যায়ৰ নিৰ্বাচনৰ বাবে অহা ১৮ এপ্ৰিলত, পঞ্চম পৰ্যায়ৰ বাবে ২৬ এপ্ৰিলত, ষষ্ঠ পৰ্যায়ৰ বাবে ২৯ এপ্ৰিলত আৰু সপ্তম পৰ্যায়ৰ নিৰ্বাচনৰ বাবে ৭ মে'ত গেজেট অধিসূচনা জাৰি কৰা হ'ব। সাধাৰণ নিৰ্বাচনৰ চতুৰ্থ পৰ্যায়ত অৰ্থাৎ অহা ১৩ মে'ত ৰাজ্যখনৰ কালাহান্দী, নবৰংপুৰ, বেৰহামপুৰ আৰু কোৰাপুট লোকসভা সমষ্টিৰ বাবে আৰু পঞ্চম পৰ্যায়ত ২০ মে'ত বেৰগড়, সুন্দৰগড়, বালাংগীৰ, কান্ধামাল, আৰু আস্কা লোকসভা সমষ্টিৰ বাবে ভোটগ্ৰহণ কৰা হ'ব। আনহাতে, ৰাজ্যখনৰ তৃতীয় পৰ্যায় তথা সাধাৰণ নিৰ্বাচনৰ ষষ্ঠ পৰ্যায়ত চম্বলপুৰ, কেওনঝাৰ, ধেনকানাল, কটক, পুৰী আৰু ভূবনেশ্বৰত ২৫ মে'ত ভোটগ্ৰহণ কৰাৰ বিপৰীতে সপ্তম তথা অন্তিমটো পৰ্যায়ত ময়ুৰভঞ্জ, বালাছোৰ, ভদ্ৰক, জাজপুৰ, কেন্দ্ৰপাৰা আৰু জগৎসিংপুৰ লোকসভা সমষ্টিৰ বাবে ১ জুনত ভোটগ্ৰহণ কৰা হ'ব। সংশ্লিষ্ট লোকসভা সমষ্টিসমূহৰ অন্তৰ্গত বিধানসভা সমষ্টিসমূহতো লোকসভা নিৰ্বাচনৰ সমান্তৰালভাৱে একে সময়তে ভোটগ্ৰহণ কৰা হ'ব।

উল্লেখযোগ্য যে ৰাজ্যখনৰ প্ৰায় ৩ কোটি ৩৫ লাখ ভোটদাতাই তেওঁলোকৰ ভোটদানৰ অধিকাৰ সাব্যস্ত কৰিবলগীয়া এই নিৰ্বাচনৰ বাবে নিৰ্বাচন আয়োগে সকলো প্ৰকাৰৰ প্ৰস্তুতি সম্পূৰ্ণ কৰি তুলিছে।

০০০০০০০

ছত্তিশগড়ৰ জনজাতি বসতিপ্ৰধান বাষ্টাৰ মণ্ডলত আজি সংঘটিত এটা গুলীয়াগুলিৰ ঘটনাত দুগৰাকী মহিলা বিদ্ৰোহীকে ধৰি ছজন মাওবাদী নিহত হয়। আকাশবাণীৰ সংবাদদাতাই জানিবলৈ দিয়া মতে, ৰাজ্যখনৰ বিজাপুৰ জিলাৰ বাছাগুড়া এলেকাৰ বনাঞ্চলত কেন্দ্ৰীয় সংৰক্ষিত আৰক্ষী বাহিনী, কোব্ৰা বেটেলিয়ন আৰু জিলা সংৰক্ষিত সুৰক্ষা বাহিনীয়ে যুটীয়াভাৱে তালাচী অভিযান চলাই থকা অৱস্থাত বনাঞ্চলখনৰ চিপুৰভাট্টী এলেকাত গুলীয়াগুলিৰ ঘটনা সংঘটিত হয়। এই ঘটনাত ছজন মাওবাদীয়ে প্ৰাণ হেৰুৱায়। ৰাজ্যখনৰ আৰক্ষী বিষয়াসকলে ঘটনাটোৰ বিষয়ে নিশ্চিত কৰিছে। ঘটনাস্থলীৰ পৰা আৰক্ষীয়ে মাওবাদীকেইজনৰ মৃতদেহৰ লগতে বৃহৎ পৰিমাণৰ অস্ত্ৰ-শস্ত্ৰও উদ্ধাৰ কৰিছে। এই বাতৰি যুগুতোৱাৰ পৰলৈ অঞ্চলটোত নিৰাপত্তা বাহিনীৰ তালাচী অভিযান অব্যাহত আছে।

০০০০০০০

ভাৰতলৈ চলিত মাৰ্চ মাহত হোৱা বৈদেশিক পুঁজিৰ আগমনে এছিয়াৰ আন সকলো দেশৰ পৰিমাণক অতিক্ৰম কৰিছে। বিগত বৰ্ষৰ ডিচেম্বৰৰ তুলনাত বৈদেশিক প্ৰতিষ্ঠানগত বিনিয়োগকাৰীয়ে মাহটোত বৰ্তমানলৈ ৩০০ কোটি ৬৩ লাখ হাজাৰ ডলাৰৰ ইকুইটি ক্ৰয় কৰা বুলি চৰকাৰী তথ্যত প্ৰকাশ পাইছে। সাম্প্ৰতিক সময়ছোৱাত এয়া হ'ল ইকুইটিৰ বিনিময়ত সংগৃহীত পুঁজিৰ সৰ্বাধিক পৰিমাণ। ইয়াৰ বিপৰীতে দেশীয় প্ৰতিষ্ঠানসমূহেও ক্ৰয়ৰ ধাৰা অব্যাহত ৰখাৰ ফলত বিনিয়োগৰ পৰিমাণ বিগত ৪ বছৰৰ ভিতৰত সৰ্বাধিক ৫২ হাজাৰ ৪৬৩ কোটি টকালৈ বৃদ্ধি পাইছে।

০০০০০০০

কেন্দ্ৰীয় বাণিজ্য আৰু উদ্যোগ, গ্ৰাহক উপভোক্তা তথা খাদ্য আৰু ৰাজহুৱা বিতৰণ মন্ত্ৰী পীযুষ গোৱেলে কৈছে যে, ভাৰতবৰ্ষক বিকশিত ৰাষ্ট্ৰ হিচাপে গঢ়ি তোলাৰ ক্ষেত্ৰত ব্যৱসায়িক সম্প্ৰদায়ৰ এটা গুৰুত্বপূৰ্ণ ভূমিকা আছে। মুম্বাইত কালি ব্যৱসায়ীসকলৰ এখন সন্মিলনত ভাষণ দি মন্ত্ৰীগৰাকীয়ে এইদৰে প্ৰকাশ কৰে। শ্ৰীগোৱেলে কয় যে, প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী নেতৃত্বাধীন চৰকাৰখন পুনৰ ক্ষমতালৈ আহিলে ভাৰত বিশ্বৰ তৃতীয় সৰ্ববৃহৎ অৰ্থব্যৱস্থাত পৰিণত হ'ব। তেওঁ কয় যে, বিগত ১০ বছৰত বিশ্বৰ পাঁচটা দুৰ্বল অৰ্থব্যৱস্থাৰ অন্যতমৰূপে বিবেচিত ভাৰত বিশ্বৰ পঞ্চম সৰ্ববৃহৎ অৰ্থব্যৱস্থালৈ উন্নীত হৈছে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ ভৱিষ্যদৰ্শী নেতৃত্বৰ বাবেই আমি জীৱনৰ সকলো দিশত ইতিবাচৰ পৰিৱৰ্তন আৰু বিকাশ প্ৰত্যক্ষ কৰিবলৈ সক্ষম হৈছো বুলি মন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে। শ্ৰীগোৱেলে কয় যে, কেন্দ্ৰীয় চৰকাৰে গ্ৰহণ কৰা বিভিন্ন ব্যৱস্থাৰ বাবে সমাজৰ প্ৰত্যেক শ্ৰেণীয়ে নিৰাপদ অনুভৱ কৰিবলৈ লৈছে। প্ৰকৃত অৰ্থত প্ৰধানমন্ত্ৰী মোদীৰ নেতৃত্বত সকলোৰে বিকাশ সম্ভৱ হৈ উঠিছে বুলি মন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে।

oooooo

শিৱসেনাৰ উদ্ধৱ থাক্‌ৰে গোটে মহাৰাষ্ট্ৰৰ লোকসভা নিৰ্বাচনৰ বাবে ১৬ গৰাকী প্ৰাৰ্থীৰ এখন তালিকা প্ৰকাশ কৰিছে। দলটোৱে দক্ষিণ মুম্বাই সমষ্টিৰ বৰ্তমানৰ সাংসদ অৰবিন্দ শাৱন্তক পুনৰ প্ৰাৰ্থিত্ব প্ৰদান কৰাৰ বিপৰীতে থানে লোকসভা সমষ্টিত ৰাজন ৱিচাৰেক, ৰত্নগিৰি-সিন্ধুদুৰ্গ সমষ্টিত ৱিনায়ক ৰাউতক, ওচমানাবাদত ওম প্ৰকাশ নিম্বলকাৰক আৰু পৰভনি সমষ্টিত সঞ্জয় যাদৱক প্ৰাৰ্থী হিচাপে ঘোষণা কৰিছে।

ooooooo

সমাগত লোকসভা নিৰ্বাচনৰ পৰিপ্ৰেক্ষিতত ভোটদাতাসকলৰ মাজত সজাগতা সৃষ্টিৰ লগতে প্ৰথমবাৰৰ বাবে ভোটদান কৰিবলগীয়া যুৱ ভোটদাতাসকলক উৎসাহিত কৰাৰ বাবে আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ আঞ্চলিক বাতৰি বিভাগে শ্ল'গান আৰু জিংগ্‌ল প্ৰতিযোগিতাৰ আয়োজন কৰিছে। ভোটদাতাৰ সজাগতা বিষয়ক এই প্ৰতিযোগিতাত প্ৰথমবাৰৰ বাবে ভোটৰ অধিকাৰ লাভ কৰা যুৱ ভোটদাতাসকলেহে অংশ ল'ব পাৰিব। শ্ল'গান বা জিংগ্‌লসমূহ ৪০ ছেকেণ্ডৰ ভিতৰত হোৱাকৈ অসমীয়া ভাষাত বাণীবদ্ধ কৰি ৩১ মাৰ্চৰ ভিতৰত 96196-86659 নাইবা 97166-80969 নম্বৰলৈ হোৱাট্‌ছএপযোগে প্ৰেৰণ কৰিব লাগিব। তদুপৰি প্ৰতিযোগীয়ে নিজৰ নাম, ঠিকনা, শিক্ষাগত অৰ্হতা আৰু শিক্ষানুষ্ঠানৰ নাম সন্নিবিষ্ট কৰি পঠিয়াব লাগিব।

ooooo

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাৰ আজিৰ এখন খেলত হায়দৰাবাদৰ ৰাজীৱ গান্ধী আন্তঃৰাষ্ট্ৰীয় ষ্টেডিয়ামত মুম্বাই ইণ্ডিয়ানছ ছানৰাইজাৰ্ছ হায়দৰাবাদৰ সন্মুখীন হ'ব। খেলখন সন্ধিয়া চাৰে ৭ বজাত আৰম্ভ হ'ব। দুয়োটা দল প্ৰতিযোগিতাত নিজৰ প্ৰথম জয়ৰ লক্ষ্যৰে খেলখনত অৱতীৰ্ণ হ'ব।

ইপিনে, যোৱাবাৰৰ চেম্পিয়ন চেন্নাই ছুপাৰ কিংছে যোৱা নিশা চেন্নাইৰ এম এ চিদাম্বৰম ষ্টেডিয়ামত অনুষ্ঠিত আই পি এল ক্ৰিকেট প্ৰতিযোগিতাৰ এখন খেলত গুজৰাট টাইটানছক ৬৩ ৰানত পৰাস্ত কৰে। টাইটানছে ২০৭ ৰানৰ বিজয় লক্ষ্যৰে খেল আৰম্ভ কৰি নিৰ্ধাৰিত ২০ অভাৰত ৮টা উইকেট হেৰুৱাই ১৪৩ ৰানহে কৰিবলৈ সমৰ্থ হয়। গুজৰাটৰ হৈ ছাই সুদৰ্শনে সৰ্বাধিক ৩৭ ৰান কৰে। ইয়াৰ পূৰ্বে চেন্নাই ছুপাৰ কিংছে প্ৰথমে বেট ধৰাৰ আমন্ত্ৰণ লাভ কৰি ২০ অভাৰত ৬ উইকেটৰ বিনিময়ত ২০৬ ৰান সংগ্ৰহ কৰে। চেন্নাইৰ হৈ শিৱম ডুবেই ২৩টা বলত ৫১ ৰানৰ বৰঙনি আগবঢ়োৱাৰ বিপৰীতে অধিনায়ক ৰুতুৰাজ গাইকোৱাড আৰু ৰচিন ৰবীন্দ্ৰই ৪৬ ৰানকৈ কৰে। শিৱম ডুবেক প্লেয়াৰ অৱ দ্যা মেচ হিচাপে ঘোষণা কৰা হয়।

oooooooo

**সমাপ্ত**